# পাতনি

সময় পৰিবৰ্তনশীল। পৰিবৰ্তনশীল সময়ৰ লগত ৰজিতা খোৱাই মানুহ নতুনৰ দিশে আগবাঢ়ে আৰু তেতিয়াই নতুন নতুন সভ্যতা সংস্কৃতিৰ সৃষ্টি হয় । সময়ৰ হাতত নতুন পুৰণি হয় আৰু লাহে লাহে ই ক্ষয়প্ৰাপ্ত হৈ এদিন পৃথিৱীৰ বুকুতেই নিঃশেষ হয়। সভ্যতা সংস্কৃতিও এই প্ৰভাৱৰ পৰা মুক্ত নহয়। এটা সভ্যতা বা সংস্কৃতি যেতিয়া ধ্বংস প্ৰাপ্ত হয়, তেতিয়া জ্ঞানন্বষীৰ অনুসন্ধিৎসু মনবোৰ উদ্‌গ্ৰীৱ হৈ পৰে তাৰ সত্যানুসন্ধান কৰিবলৈ।

মঠ মন্দিৰ আৰু সেইবোৰত অনুষ্ঠিত উৎসৱ পাৰ্বণ সম্পৰ্কে বিভিন্ন আলোচনা কৰা হৈছে যদিও লখিমপুৰ জিলাৰ ঢকুৱাখনা অঞ্চলৰ মঠ মন্দিৰ সম্পৰ্কে আলোচনা তেনেই চালুকীয়া। সমগ্ৰ অসম বা লখিমপুৰ জিলাৰ মঠ মন্দিৰৰ আলোচনাত প্ৰাসংগিক ভাৱে ঢকুৱাখনা অঞ্চলৰ মঠ মন্দিৰ সোমাই পৰিলেও, পৰিসৰৰ বাহুল্যৰ বাবে তাৰ পুংখানু পুংখ বিশ্লেষণ এতিয়াও হোৱা নাই। অঞ্চলটোত কিংবদন্তি মূলক কেইবাটাও মন্দিৰ এতিয়াও আপোন মহিমাৰে উজ্বলি থকাৰ বিপৰীতে কোনোবাটো আকৌ ধ্বংসৰ গৰাহত পৰিছে। আন কোনোবাটোৰ ওপৰত আকৌ নতুনৰ প্ৰলেপ পৰিছে।

এনে বিভিন্ন দিশৰ প্ৰতি লক্ষ্য ৰাখিয়েই আমাৰ গৱেষণা গ্ৰন্থত ঢকুৱাখনা অঞ্চলৰ মঠ মন্দিৰ সমূহত অনুষ্ঠিত উৎসৱ পাৰ্বণ সম্পৰ্কে এটি সমাজতাত্বিক বিশ্লেষণ কৰিবলৈ প্ৰয়াস কৰা হৈছে। ইয়াৰ জৰিয়তে মন্দিৰ সমূহৰ ঐতিহাসিক প্ৰেক্ষাপট, উৎসৱ পাৰ্বণ, জনবিশ্বাস, সমাজিক আৰু সাংস্কৃতিক দিশৰ লগতে মন্দিৰ সমূহৰ লগত অঞ্চলবাসীৰ একাত্মবোধ, মানসিক স্থিতি ইত্যাদি সকলো দিশৰ পৰ্যালোচনা কৰা হ'ব। গৱেষণা গ্ৰন্থখনত আলোচনাৰ বাবে নিৰ্বাচিত মন্দিৰ সমুহ এনেধৰণৰ —

(ক) শ্ৰী শ্ৰী ঈশ্বৰীয় হাৰ্হি দেৱালয়

(খ) শ্ৰী শ্ৰী বাসুদেৱ থান নৰোৱা সত্ৰ

(গ) শ্ৰী শ্ৰী বৰঠাই সত্ৰ

(ঘ) গোপালপুৰ সত্ৰ

(ঙ) গোবিন্দপুৰ সত্ৰ

(চ) গৰখীয়া দ'ল আৰু

(ছ) পৰম পুৰুষোত্তম শ্ৰী শ্ৰী প্ৰসিদ্ধ চন্দ্ৰ দেৱ মহা মন্দিৰ

গৱেষণা গ্ৰন্থ এখনৰ বাবে প্ৰচলিত নিয়ম, অধ্যায় বিভাজনকে ধৰি সকলো পদ্ধতি অৱলম্বন কৰি সম্পূৰ্ণভাৱে বিদ্যায়তনিক শৃংখলাৰ অৱৰ্তত গৱেষণীয় বিষয়টো অধিক প্ৰাণময় ৰূপত উপস্থাপন কৰিবলৈ যত্ন কৰা হৈছে। ইয়াৰ পিছতো বিষয়টোৰ সকলো দিশৰ পূৰ্ণাঙ্গ অধ্যয়ন হোৱা বুলি কব নোৱাৰি। পৰৱৰ্তী গৱেষকে এই বিষয়ত আৰু অধিক সূক্ষ্ম পৰ্যায়ত অধ্যয়নৰ কাম কৰিব বুলি আশা কৰিলোঁ।

তাৰিখ ঃ হৰগোবিন্দ কোঁচ